**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। চলিত মাহৰ পৰা অহা চাৰি মাহলৈ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এই জলপানি লাভ কৰিব। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধিৰ উপৰি তেওঁলোকৰ অধ্যয়নৰ সামগ্ৰী তথা পুষ্টিকৰ খাদ্য ক্ৰয়ত সহায়ৰ বাবে **প্ৰেৰণা** শীৰ্ষক জলপানিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চাৰি লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী, আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত চি বি এছ্ ইৰ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী আৰু আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা শিক্ষাৰ্থীয়ে এই জলপানিৰ বাবে আবেদন কৰিব পাৰিব।

০০০০

গুৱাহাটীৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰত আজি আৰ্যভট্ট বিজ্ঞানকেন্দ্ৰসমূহৰ ৰাজ্যিক সন্মিলন আৰু ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত জীৱনযোৰা সাধনা বঁটা, যুৱ বিজ্ঞানী বঁটা আৰু সাংগঠনিক বঁটাৰ জৰিয়তে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা খণ্ডলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি আৰু সংস্থাসমূহক সন্মানিত কৰা হ'ব।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেনত কাৰ্বি পৰিষদৰ প্ৰথমগৰাকী মুখ্য কাৰ্যবাহী সদস্য খৰছিং টেৰাঙৰ ৭১ সংখ্যক পুণ্যতিথি পালন কৰা হৈছে। কাৰ্বি পৰিষদৰ শাখাৰ সচিবালয়ৰ প্ৰাঙ্গনত আয়োজিত এই অনুষ্ঠানত বন্তি প্ৰজ্বলন, প্ৰয়াত নেতাগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পনৰ লগতে তেওঁৰ কৰ্মৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। অনুষ্ঠানত কাৰ্বি ৰজা লংচিং ৰংহাং আৰু কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰো মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

অসম বিধানসভাত কালি চুকাফা বিশ্ববিদ্যালয় বিধেয়ক গৃহীত হোৱাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ চৰাইদেউ জিলাত উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। চৰাইদেউ জিলাত স্বৰ্গদেউ চুকাফাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপন কৰাটো অঞ্চলটোৰ ৰাইজৰ এটা দীৰ্ঘদিনীয়া সপোন আৰু দাবী আছিল। বিশ্ববিদ্যালয় স্থাপনৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° বলীন কোঁৱৰৰ দৰে শিক্ষাবিদ আৰু অন্যান্য ভালেমান ব্যক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। স্থানীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে সদনৰ মজিয়াত এই বিষয়টো উত্থাপন কৰি মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰস্তাৱত সমৰ্থন জনাই জিলাখনত বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত আজিৰে পৰা ১০ দিনীয়াকৈ তিনিচুকীয়াত অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ চলিহা নগৰ খেলপথাৰত বিয়লি চাৰে তিনি বজাত গ্ৰন্থমেলা উদ্বোধন কৰা হ'ব। উদ্বোধনী সভাত অসম সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ বসন্ত কুমাৰ গোস্বামী সন্মানীয় অতিথি আৰু সাহিত্যিক-সাংবাদিক দিলীপ চন্দন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। গ্ৰন্থমেলাৰ আটাইকেইটা দিনতে ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস আদি বিষয় সামৰি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া পাঁচ বজাৰ পৰা গ্ৰন্থমেলাৰ বাকৰিত বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ মাজত বাৰেৰহনীয়া সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০

নগাঁও জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা দখলীকৃত মাটিত উচ্ছেদৰ প্ৰস্তুতি চলাইছে। কাইলৈ পুৱা ৭ বজাৰ পৰা বনাঞ্চলখনত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা প্ৰশাসনে সদৰী কৰিছে। ইতিমধ্যে উচ্ছেদ অভিযানৰ বাবে অস্থায়ী আৰক্ষী শিৱিৰ স্থাপন কৰা হৈছে। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বাস কৰি আছে। অঞ্চলটোত উচ্ছেদৰ বাবে ইযাৰ পূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হয়। দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমিৰ পৰা আঁতৰি গৈছে।

০০০০০

গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ৰ আজি সামৰণি পৰিব। মহোৎসৱৰ আজি অন্তিম দিনা ফ্ৰান্স, ছিংগাপুৰ আৰু থাইলেণ্ডৰ যুটীয়া প্ৰযোজনাৰে নিৰ্মিত থাই ভাষাৰ চিনেমা এ ইউজফুল ঘোষ্ট প্ৰদৰ্শন কৰা হ'ব।

কালি মহোৎসৱৰ কলা একাডেমীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰত অঞ্চলটোৰ কেইবাগৰাকীও চলচ্চিত্ৰ নিৰ্মাতাই অংশ লয়। ডমিনিক চাংমা পৰিচালিত আলোচনা চক্ৰখনত চলচ্চিত্ৰ নিৰ্মাণৰ খ্যাতিসম্পন্ন সংস্থাৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত উত্তৰ-পূৰ্বাঞ্চলৰ নতুন প্ৰজন্মৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে কিদৰে ছবি নিৰ্মাণৰ ক্ষেত্ৰত সম্পৰীক্ষা কৰিছে এই বিষয়ে আলোচনা কৰা হয়।

এইবাৰৰ মহোৎসৱত ৮১ খন দেশৰ ২৪০ খনৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। মহোৎসৱৰ কেন্দ্ৰীয় ৰাষ্ট্ৰ জাপানৰ ৭ খন ছবি আৰু সহযোগী ৰাষ্ট্ৰ স্পেইনৰ ৪খন ছবি এইবাৰ প্ৰদৰ্শন কৰা হৈছে। যোৱা ২০ নৱেম্বৰত এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................